**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-02-2025 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

অসমৰ ঔদ্যোগিক আৰু বিনিয়োগ আন্তঃগাঁথনি শক্তিশালী কৰাৰ লক্ষ্যৰে দ্বিতীয়বাৰৰ বাবে আয়োজিত এডভাণ্টেজ আছাম সন্মিলনৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰক নতুন দিল্লীত সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক এই সন্মিলনলৈ আমন্ত্ৰণ জনোৱাৰ লগতে শ্ৰী জয়শংকৰে দেশৰ এক্ট-ইষ্ট নীতিত অসমৰ গুৰুত্বপূৰ্ণ ভূমিকা সন্দৰ্ভত এডভাণ্টেজ আছামৰ কাৰ্যসূচীত আলোকপাত কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে এই সন্মিলনৰ পৰিপ্ৰেক্ষিতত ভূটান, দক্ষিণ কোৰিয়া আৰু জাপান ভ্ৰমণসূচীৰ বিষয়েও মন্ত্ৰীগৰাকীক আভাস দিয়ে। উল্লেখযোগ্য যে ৰাজ্যখনলৈ বিনিয়োগকাৰীক আকৰ্ষিত কৰাৰ উদ্দেশ্যে অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত আয়োজিত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে প্ৰস্তুতি চলি আছে। এই শীৰ্ষ সন্মিলনৰ সৈতে সংগতি ৰাখি এখন আন্তঃৰাষ্ট্ৰীয় প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই আজি প্ৰদৰ্শনী উপ-সমিতিৰ বিষয়াসকলৰ সৈতে প্ৰদৰ্শনীৰ আয়োজনৰ সৈতে জড়িত বিভিন্ন দিশ সন্দৰ্ভত এখন বৈঠকত মিলিত হয়। তেওঁ লগতে খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰৰ প্ৰদৰ্শনীথলীও পৰিদৰ্শন কৰে। অসমত গঢ়ি উঠা বিনিয়োগৰ অনুকুল বাতাবৰণ, সামৰ্থ আৰু সম্ভাৱনাক এই প্ৰদৰ্শনীত প্ৰতিফলিত কৰা হ'ব। প্ৰদৰ্শনীত টাটা গ্ৰুপ, ৰিলায়েন্স, আদানী আদি আগশাৰীৰ ভাৰতীয় কোম্পানীৰ লগতে বহুকেইটা বহুজাতিক কোম্পানী আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ অগ্ৰণী ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানে ভাগ ল'ব বুলি মন্ত্ৰী কেশৱ মহন্তই প্ৰকাশ কৰিছে। তেওঁ লগতে এই প্ৰদৰ্শনীত অংশীদাৰ দেশ হিচাপে ভাগ ল'বলৈ কেইবাখনো দেশেও আগ্ৰহ প্ৰকাশ কৰাৰ কথাও জানিবলৈ দিয়ে।

আজিৰ বৈঠকত প্ৰদৰ্শনী উপ-সমিতিৰ দায়িত্বত থকা ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰধান সচিব জি ডি ত্ৰিপাঠী, অসম ঔদ্যোগিক উন্নয়ন নিগম লিমিটেডৰ পৰিচালন সঞ্চালক মানবেন্দ্ৰ প্ৰতাপ সিঙকে ধৰি অসম ৰাজ্যিক পৰিবহণ নিগম, লোকনিৰ্মাণ, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ জ্যেষ্ঠ বিষয়া আৰু অভিযন্তাসকলে অংশগ্ৰহণ কৰে।

উল্লেখযোগ্য যে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশ লোৱাৰ বাবে অহা ২৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসমলৈ আহিব। সন্মিলনৰ অংশ হিচাপে ২৪ ফেব্ৰুৱাৰীত হ'বলগীয়া সৰ্ববৃহৎ ঝুমুৰ নৃত্যৰ অনুষ্ঠানতো প্ৰধানমন্ত্ৰীয়ে অংশ লোৱাৰ কথা। ২৫ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰীয়ে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ আনুষ্ঠানিকভাৱে মুকলি কৰিব। এই অনুষ্ঠানত ভূটানৰ প্ৰধানমন্ত্ৰীও উপস্থিত থাকিব। পাঁচখন সহযোগী দেশে অংশ ল'বলগীয়া এই সন্মিলনত ৫ শতাধিক বিদেশী উদ্যোগী আৰু বিনিয়োগকাৰীয়ে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

ooooooo

শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপস্থিতিত আজি এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ সন্দৰ্ভত এখন সজাগতা সভাৰ আয়োজন কৰা হয়। শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত আৰু উদ্যোগ, বাণিজ্য কেন্দ্ৰৰ সহযোগত যুৱদলত আয়োজিত এই কাৰ্যসূচীত মন্ত্ৰী শ্ৰী পেগুৱে ৰাজ্যৰ ব্যৱসায়িক সম্ভাৱনাৰ প্ৰতি

লক্ষ্য ৰাখি আন্তঃগাঁথনি উন্নয়ন পদক্ষেপসমূহৰ জৰিয়তে আগবাঢ়ি যাবলৈ উদ্যোগীসকলক উৎসাহিত কৰে। এই কাৰ্যসূচীত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ শতাধিক যুৱ উদ্যোগীয়ে অংশগ্ৰহণ কৰে।

0000000

শিৱসাগৰ জিলাত আজি টাই-আহোম ছাত্ৰ সন্থাই জিলাখনৰ প্ৰাচীন কীৰ্তিচিহ্নসমূহৰ বিজ্ঞানসন্মত সংৰক্ষণৰ দাবীত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। সংগঠনটোৰ ৫০০ ৰো অধিক সদস্যই শিৱসাগৰ চহৰৰ বৰ্ডিং খেলপথাৰৰ পৰা সমদল উলিয়াই বিক্ষোভ প্ৰদৰ্শন কৰে। জিলা প্ৰশাসন আৰু চৰকাৰৰ হেমাহিৰ বাবে আহোম ৰাজত্ব কালৰ প্ৰাচীন কীৰ্তিচিহ্নসমূহৰ অৱক্ষয় হোৱাৰ লগতে অবৈধ দখলৰ কৱলত পৰিছে বুলি টাই-আহোম ছাত্ৰ সন্থাই অভিযোগ কৰে। উল্লেখযোগ্য যে শিৱসাগৰ জিলা প্ৰশাসনে চৰজমিন তদন্ত কৰি জিলাখনত ৫০০ ৰো অধিক প্ৰাচীন কীৰ্তিচিহ্ন থকা বুলি পূৰ্বে সদৰি কৰিছিল। কিন্তু পৰৱৰ্তী সময়ত প্ৰশাসনে এই কীৰ্তিচিহ্নসমূহ সংৰক্ষণ আৰু সংবৰ্ধনৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে বুলি সংগঠনটোৱে অভিযোগ কৰে। এই সম্পদসমূহৰ বিজ্ঞানসন্মত সংৰক্ষণৰ বাবে টাই-আহোম ছাত্ৰ সন্থাই চৰকাৰক দাবী জনোৱাৰ লগতে ইয়াৰ বাবে নিৰ্দিষ্ট সময়সীমাও নিৰ্ধাৰণ কৰি দিয়ে।

0000000

আজি বিশ্ব কৰ্কট দিৱস। কৰ্কট ৰোগ সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ লগতে এই ৰোগত আক্ৰান্তসকলৰ সহনশীলতা বৃদ্ধি তথা ৰোগৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত ৰোগীৰ পৰিয়ালৰ সহযোগিতাৰ প্ৰতি সন্মান জনাই প্ৰতি বছৰে ৪ ফেব্ৰুৱাৰীত এই দিৱস পালন কৰা হয়। এইবছৰৰ বিশ্ব কৰ্কট ৰোগ দিৱসৰ মূল বিষয় হৈছে- United by Unique। এই দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

**চৰাইদেউ** জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আৰু অসম কৰ্কট পৰিচৰ্যা সংস্থাৰ সহযোগত আজি চৰাইদেউ জিলা চিকিৎসালয়ৰ সভাকক্ষত বিশ্ব কৰ্কট ৰোগ দিৱসৰ কাৰ্যসূচী লোৱা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত সমল ব্যক্তিসকলে এই ৰোগৰ সজাগতা আৰু চিনাক্তকৰণ সন্দৰ্ভত বক্তব্য আগবঢ়ায়। **তেজপুৰ** কৰ্কট কেন্দ্ৰৰ উদ্যোগত আজি এটা চাইকেল সমদল উলিয়াই সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়। ইয়াৰ পাছতে এখন সজাগতা সভাও অনুষ্ঠিত হয়।

0000000

অহা ৬ ফেব্ৰুৱাৰীৰ পৰা হ'বলগীয়া শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ বাবে ব্যাপক প্ৰস্তুতি চলি আছে। যোৰহাট জিলাৰ ম'হবন্ধাৰ এৰালতলী পথাৰত চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই অধিৱেশনলৈ ভকত-বৈষ্ণৱসকলক আদৰাৰ বাবে আদৰণি সমিতিয়ে সকলো ব্যৱস্থা সম্পূৰ্ণ কৰি তুলিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শক সাৰোগত কৰি যোৰহাট জিলা শাখাৰ আতিথ্যত বিভিন্ন দল-সংগঠন আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগিতাত আয়োজন কৰা এই অধিৱেশনত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱসকলে অংশগ্ৰহণ কৰিব। আজি ম'হবন্ধাৰ এৰালতলী পথাৰৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰৰ নামঘৰত ধৰ্মধবজা প্ৰতিষ্ঠা কৰা হয়।

0000000

ৰাজ্যৰ ১২ হাজাৰ ৩৭৫ খন বিদ্যালয়ত আজি গুণোৎসৱৰ তৃতীয় পৰ্যায় আৰম্ভ হৈছে। গুণোৎসৱৰ আজি প্ৰথমদিনা বিদ্যালয়সমূহৰ স্ব-মূল্যায়ন কৰা হয়।

উল্লেখযোগ্য যে ডিব্ৰুগড়, বিশ্বনাথ, দৰং, মৰিগাঁও, বঙাইগাঁও, কাছাৰ, ডিমা হাচাও, গোৱালপাৰা, মাজুলী আৰু নলবাৰী জিলাত অহা ৭ ফেব্ৰুৱাৰীলৈ তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হ'ব। কোকৰাঝাৰ আৰু ওদালগুৰি জিলাৰ পূৰ্বে ৰৈ যোৱা একাংশ বিদ্যালয়তো গুণোৎসৱ অনুষ্ঠিত হৈছে। এই পৰ্যায়ত মুঠ ৪ হাজাৰ ৯৬৭ গৰাকী বহিঃমূল্যায়কে ১১ লাখ ৩৮ হাজাৰ ২৭৫ গৰাকী শিক্ষাৰ্থীৰ বহিঃমূল্যায়ন কৰিব।

০০০০০০০

**সমাপ্ত**